**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-09-2026 **Time :** 1100 Hrs.

দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো আজি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ-উদ্দীপনাৰে সিদ্ধিদাতা, বিঘিনি নাশক গণেশ দেৱতাৰ পূজা-অৰ্চনা কৰা হৈছে। এই উপলক্ষে আজি গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ গণেশ মন্দিৰসমূহত পুৱাৰে অগণন ভক্তৰ সমাগম হৈছে। গুৱাহাটী মহানগৰীৰ গণেশগুৰি, লতাশিল, নিউ গুৱাহাটী, পাঞ্জাবাৰী, খানাপাৰা আৰু বীৰকুচিৰ গণেশ মন্দিৰত পুৱাৰে পৰা সিদ্ধিদাতাৰ পূজা-অৰ্চনাৰ বাবে ভক্তৰ দীঘলীয়া শাৰী পৰিলক্ষিত হৈছে। গুৱাহাটীৰ পশ্চিম প্ৰান্তৰ শ্ৰীশ্ৰীলংকেশ্বৰ ধামৰ নামনিত থকা গণেশ মন্দিৰতো গণেশ চতুৰ্থীৰ আয়োজন কৰা হৈছে।

ৰাজ্যৰ অন্যান্য প্ৰান্ততো যথাবিহিত ৰীতি-নীতিৰে গণেশ চতুৰ্থী পালন কৰা হৈছে। নলবাৰীৰ গণেশ মন্দিৰ, আগিয়াঠুৰীৰ গণেশ মন্দিৰৰ লগতে বিভিন্ন স্থানত গণেশ চতুৰ্থী উপলক্ষে ধৰ্মীয় কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। **গোৱালপাৰা** চহৰৰ ব'ৰ বজাৰ গণপতি পূজা সমিতিয়ে পৰম্পৰা ৰক্ষা কৰি গণেশ চতুৰ্থীৰ আয়োজন কৰিছে। এই উপলক্ষে দিনজোৰা কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। চহৰখনৰ কলিতাপাৰা, বেলতলা আৰু টিলাপাৰাৰ লগতে লক্ষীপুৰ অঞ্চলৰ মেধিপাৰা গাঁৱত গণেশ চতুৰ্থী পালন কৰা হৈছে।

০০০০০০০

অসম সাহিত্য সভাই সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতসমূহ তামিল, তেলেগু, মালায়ালম, পাঞ্জাবী, মাৰাঠী, গুজৰাটী, কংকনী আৰু সংস্কৃতসহ ৯ টা ভাষালৈ অনুবাদৰ বাবে সিদ্ধান্ত লৈছে। ওদালগুৰিত দুদিনীয়াকৈ অনুষ্ঠিত অসম সাহিত্য সভাৰ ২০২৫-২৭ বৰ্ষৰ ষষ্ঠ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক অধিৱেশন আৰু জনগোষ্ঠীয় সমাৰোহৰ কালি সামৰণি অনুষ্ঠানত কাৰ্যনিৰ্বাহকে এই সন্দৰ্ভত অনুমোদন জনায়। ইয়াৰ লগতে অসম সাহিত্য সভাই অহা ১৮ নৱেম্বৰত অৰ্থাৎ জুবিন গাৰ্গৰ ওপজা দিনটো ৰাজ্যজুৰি জুবিন দিৱস হিচাপে পালনৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সেইদিনা শিল্পীগৰাকীৰ প্ৰায় ১০০ টা গীতৰ সংকলন প্ৰকাশ কৰা হ'ব। ৰাজ্যৰ প্ৰতিখন জিলাত প্ৰায় ১০ হাজাৰ শিল্পীয়ে সেইদিনা জুবিন গাৰ্গৰ মায়াবিনী গীতটি সমবেত কণ্ঠত পৰিৱেশন কৰিব।

কাৰ্যনিৰ্বাহক বৈঠকৰ মাজতে কালি ৮ খন গ্ৰন্থ উন্মোচন কৰা হয়। মংগল চণ্ডী ব্ৰহ্ম ভাষা সাহিত্য গৱেষণা কেন্দ্ৰ আৰু ওদালগুৰি জিলা সাহিত্যৰ উদ্যোগত অনুষ্ঠিত এই অধিৱেশনৰ কালি অন্তিম দিনা সাহিত্য সভাৰ ষষ্ঠ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক বৈঠক আয়োজিত হয়। অসম সাহিত্য সভাৰ সভাপতি ড° বসন্ত কুমাৰ গোস্বামীৰ সভাপতিত্বত অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত বিভিন্ন বিষয়ৰ লগতে আগন্তুক দুলীয়াজান অধিৱেশন, ১৯ ছেপ্তেম্বৰৰ দিনটোৰ কাৰ্যসূচীকে ধৰি কেইবাটাও বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

০০০০০০০

মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ এজনী পোহনীয়া হাতী বহিঃৰাজ্যলৈ সৰবৰাহ কৰা সন্দৰ্ভত ৰাষ্ট্ৰীয় উদ্যানখনৰ ক্ষেত্ৰ সঞ্চালক সোণালী ঘোষে কালি এখন সংবাদমেলৰ আয়োজন কৰে। সংবাদমেলত শ্ৰীমতী ঘোষে কয়, যে তিনিচুকীয়াৰ এজন মালিকে সীমিত সময়ৰ বাবে হাতীজনীক মানাহত ৰাখিছিল। পাছত তেওঁৰ অনুমতি অনুসৰি

বন্য প্ৰাণী সুৰক্ষা আইনৰ অধীনত ৭ ছেপ্তেম্বৰত হাতীজনী কেৰেলমলৈ প্ৰেৰণ কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনৰ পৰা এই হাতীজনীৰ লগতে আৰু তিনিটা হাতী প্ৰেৰণৰ কথা আছিল বুলি উল্লেখ কৰি ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে কয়, যে হাতীৰ সৈতে জনসাধাৰণৰ আবেগ জড়িত হৈ থকাৰ বাবে বহিঃৰাজ্যলৈ পৰৱৰ্তী সময়ত বাকী তিনিটা হাতী প্ৰেৰণ নকৰিবলৈ ঊৰ্ধতন কৰ্তৃপক্ষক আবেদন জনোৱা হৈছে। এনেধৰণৰ ঘটনা পুনৰাবৃত্তি নহয় বুলিও ক্ষেত্ৰ সঞ্চালকগৰাকীয়ে উল্লেখ কৰে।

বাইট

উল্লেখযোগ্য যে যোৱা ৭ ছেপ্তেম্বৰত মানাহ ৰাষ্ট্ৰীয় উদ্যানৰ বাঁহবাৰী ৰেঞ্জৰ মহল কেম্পৰ পৰা দুৰ্গা নামৰ পোহনীয়া হাতীজনীক কেৰলমলৈ সৰবৰাহ কৰা হৈছিল। এই সন্দৰ্ভত প্ৰকৃতিপ্ৰেমী সংগঠনসমূহে বাঁহবাৰী ৰেঞ্জৰ বন সংমণ্ডল বিষয়া নীতিশ বড়োক জবাবদিহি কৰিছিল।

০০০০০০

কাছাৰ আৰক্ষীয়ে মাদক দ্ৰব্য বিৰোধী দুটা পৃথক অভিযানত প্ৰায় ১৪ কোটি টকাৰ হেৰ’ইন আৰু য়াবা টেবলেট জব্দ কৰে। আৰক্ষীয়ে কালি শিলচৰ থানাৰ অন্তৰ্গত ৰামনগৰ বাইপাছ্ এলেকাত অভিযান চলাই এখন ট্ৰাকৰ পৰা ১৫০টা চাবোনৰ বাকচত কঢ়িয়াই অনা ২ কিলোগ্ৰামৰো অধিৰ হেৰ’ইন জব্দ কৰে। ঘটনা সংক্ৰান্তত লাইলাপুৰৰ আব্দুল ৰহিম লস্কৰ নামৰ এজন লোকক আটক কৰা হৈছে। মিজোৰামৰ ছামফাই জিলাৰ পৰা মাদক দ্ৰব্যখিনি সৰবৰাহ কৰা হৈছিল বুলি আৰক্ষীয়ে জনাইছে। আৰক্ষীয়ে কালাইন থানাৰ অন্তৰ্গত গুমৰা বজাৰ এলেকাত চলোৱা আন এটা অভিযানত জয়ৰুল ইছলাম নামৰ এজন লোকৰ বাসগৃহত অভিযান চলাই ১০ হাজাৰ য়াবা টেবলেট জব্দ কৰে।

ইপিনে মাদক দ্ৰব্যৰ ভয়াৱহতাৰ প্ৰতি লক্ষ্য ৰাখি ইয়াৰ সৰবৰাহ আৰু অবাধ প্ৰচলন প্ৰতিৰোধৰ বাবে সদৌ অসম ছাত্ৰ সন্থাৰ ধুবুৰী জিলা সমিতিয়ে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। আছুৰ ধুবুৰী জিলা সমিতিৰ সাধাৰণ সম্পাদক জীৱন বৰুৱাৰ নেতৃত্বত আৰু স্থানীয় লোকৰ সহযোগত বৌ বজাৰ এলেকাত আয়োজিত সজাগতা সভাত মাদক দ্ৰব্যৰ সৰবৰাহ আৰু প্ৰচলন ৰোধৰ বাবে জনমত গঢ়ি তোলাৰ আহ্বান জনোৱা হয়। তদুপৰি নিচাজাতীয় সামগ্ৰী বিৰোধী এখন সমিতিও গঠন কৰা হয়।

০০০০০০০

শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনৰ বাবে অসম অসামৰিক সেৱাৰ ৪ জন জ্যেষ্ঠ বিষয়াক নিৰ্বাচনী পৰ্যবেক্ষক হিচাপে নিযুক্তি দিয়া হৈছে। ৰাজ্যিক নিৰ্বাচন আয়োগৰ নিৰ্দেশ অনুসৰি শিলচৰ পৌৰ নিগমৰ ৪২টা ৱাৰ্ডত ৪টা পৰ্যবেক্ষক জ’নত বিভক্ত কৰা হৈছে। ইতিমধ্যে পৰ্যবেক্ষকসকলে শিলচৰত উপস্থিত হৈ দায়িত্ব গ্ৰহণ কৰিছে। নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থী, নিৰ্বাচনী এজেণ্ট আৰু জনসাধাৰণে নিৰ্বাচন সম্পৰ্কীয় যিকোনো বিষয়ৰ বাবে নিজ নিজ ৱাৰ্ডৰ ভাৰপ্ৰাপ্ত পৰ্যবেক্ষকৰ সৈতে যোগাযোগ কৰিব পাৰিব।

০০০০০০০০০

**সমাপ্ত**